আল্লাহুম্মা লাকা আছলামতু, অবিকা আ-মানতু, ওৱা আলাইকা তাৱাক্কালতু, অ ইলাইকা আনাবতু, অবিকা খা-চামতু, আল্লাহুম্মা ইন্নি আউজু বিইঝ্ঝাতিক, লা ইলা-হা ইল্লা আনতা আন তুজিল্লানী, আনতাল হাইয়্যুল লাজী লা য়ামূত, অলজিন্নু অল ইনছু য়ামূতূন।

ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত যে, ৰাছুলুল্লাহ চাল্লাল্লাহু
আলাইহি অছাল্লামে এই দুআ পাঠ কৰিছিলঃ "আল্লাহুম্মা লাকা আছলামতু, অবিকা আ-মানতু, ওৱা আলাইকা তাৱাক্কালতু, অ ইলাইকা আনাবতু, অবিকা খা-চামতু, আল্লাহুম্মা ইন্নি আউজু বিইঝ্ঝাতিক, লা ইলা-হা ইল্লা আনতা আন তুজিল্লানী, আনতাল হাইয়্যুল লাজী লা য়ামূত, অলজিন্নু অল ইনছু য়ামূতূন।"
[متفق عليه، وهذا لفظ مسلم ورواه البخاري ً مختصرا] [ছহীহ[

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই বুলি দুআ কৰিছিলঃ হে আল্লাহ! মই তোমাৰ ওচৰতে আত্মসমৰ্পণ কৰিছোঁ। তোমাৰ ওপৰতে ঈমান আনিছোঁ আৰু তোমাৰ ওপৰতে ভৰসা কৰিছোঁ। তোমাৰ ওচৰলৈকেই মই উভতি আহিছোঁ। মই তোমাৰ বাবেই শত্ৰুৰ সৈতে মোকাবিলা কৰিছোঁ। হে আল্লাহ! মই তোমাৰ সন্মানৰ অছিলাৰে তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ। তোমাৰ বাহিৰে আন কোনো সত্য উপাস্য নাই। হিদায়তৰ পৰা আৰু তোমাৰ সন্তুষ্টি লাভৰ তাওফীকৰ পৰা তুমি মোক পথভ্ৰষ্ট নকৰিবা। তুমিয়ে চিৰঞ্জীৱ, যাৰ কোনো মৃত্যু নাই। পক্ষান্তৰে জিন আৰু মানৱ সকলোৱে নিঃশেষ হ'ব।

https://sunnah.global/hadeeth/as/show/3056